অধ্যায় ১ ঃ প্রাচীন অসমীয়া সাহিত্যৰ ৰূপ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ প্রাচীন অসমীয়া সাহিত্যৰ ৰূপ
১.৩.১ প্রাচীন অসমীয়া সাহিত্যৰ প্রত্নস্তৰ
১.৩.২ শিলালিপি, তাম্রলিপি আদি
১.৩.৩ শাসনাৱলী
১.৪ প্রাচীন অসমীয়া সাহিত্যৰ বিষয়বস্তু, উপস্থাপন ৰীতি, বর্ণনা ৰীতি, শব্দ-প্রয়োগ ইত্যাদি
১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৬ অধিক জানিবলৈ
১.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১.৮ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রাচীন অসমীয়া সাহিত্যৰ প্রত্ন ৰূপটোৰ লগত পৰিচিত হ'ব
- প্রাচীন অসমীয়া প্রত্নৰূপৰ মাজত সন্নিৱিষ্ট লেখসমূহৰ ভাষাৰ লগত পৰিচিত হ'ব
- লেখাৱলীৰ মাজত বর্ণিত হোৱা বিষয়বস্তু, উপস্থাপন ৰীতি, বর্ণনাশৈলীৰ বিষয়ে জানিব পাৰিব
- অসমীয়া ভাষাৰ সাহিত্য সৃষ্টি হোৱাৰ পূর্বে ওপোৱাক্ত লেখসমূহে কেনেদৰে অসমীয়া সাহিত্যৰ সৃষ্টিশীল দিশৰ সূচনা কৰিছিল সেই বিষয়ে কিছু কথা জানিব পাৰিব।

১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া পাঠ্যক্রমৰ প্রথম পাঠ্যবিষয়ৰ অন্তর্গত এইটো প্রথম অধ্যায়। অধ্যায়টোৰ শিৰোনাম 'প্রাচীন অসমীয়া সাহিত্যৰ ৰূপ'। ইয়াত প্রাচীন অসমীয়া সাহিত্যৰ ৰূপটোনো ক'ত কেনেদৰে সংৰক্ষিত হৈছে, তাৰ থূলমূল ধাৰণা এটা লাভ কৰিব।

অসমীয়া সাহিত্যৰ আলোচনাৰ প্রাৰম্ভতে উল্লেখ কৰা হয়— মৌখিক সাহিত্য বা লোক সাহিত্যৰ। মৌখিক সাহিত্যৰ প্রাচীনত্ব বা সময়ৰ উল্লেখ নিশ্চিতকৈ ক'ব পৰা নাযায়। মুখ বাগৰি আহোঁতে স্বাভাৱিকভাৱে বিষয় আৰু ভাষাগত বা সুৰ (গীতসমূহৰ ক্ষেত্রত)ৰ পার্থক্য হ'ব পাৰে। লিখিত সাহিত্যৰ মাজত কিন্তু সময় নির্দিষ্টকৈ ৰক্ষিত হোৱা দেখা যায়। অসমীয়া লিখিত সাহিত্যৰ

প্রাচীন নিদর্শন হিচাপে 'চর্য্যাপদ'ক ধৰা হয়। মূলতঃ বৌদ্ধ ধর্ম আধাৰিত এই গীতপদসমূহৰ মাজত সাহিত্যিক ৰূপ এটি পোৱা যায়। লিখিত সাহিত্যৰপ্রাচীনতম ৰূপ 'চর্য্যাপদ' পোৱাৰ আগতে কোনো লিখিত নিদর্শন নাপালেও ভাষাৰ বিকাশৰ ক্ষেত্রত পঞ্চম শতিকাতে প্রাচীন শিলালেখ তামৰ ফলিসমূহত অসমীয়া ভাষাৰ প্রাচীন ৰূপৰ আৰম্ভণিৰ চিত্র এখন দেখিবলৈ পোৱা যায়।

অধ্যায়টি যদিও সাহিত্য বিষয়ক; ভাষা নোহোৱাকৈ সাহিত্য সৃষ্টি হ'ব নোৱাৰে। সেয়েহে প্রাচীন অসমীয়া সাহিত্যৰ ৰূপ আলোচনাত ভাষা বিষয়ক কিছু কথাও আলোচনাৰ আওতালৈ আহিব। সেয়েহে পঞ্চম শতিকাৰ পৰা দ্বাদশ শতিকালৈকে প্রাপ্ত (অসমৰ) শিলালেখ, তাম্রলেখ ইত্যাদিসমূহক আধাৰ হিচাপে লোৱা হৈছে। প্রাচীন কামৰূপীয় হিন্দু ৰজাসকলৰ এই লেখাৱলীৰ ভাষাৰ ৰূপটোৰ উপৰি উপস্থাপন ৰীতি, বিষয়বস্তুৰ বর্ণনা ৰীতি, শব্দ প্রয়োগ ইত্যাদি বিষয়ে মূলতঃ আলোচনা কৰা হ'ব।

১.৩ প্রাচীন অসমীয়া সাহিত্যৰ ৰূপ

সাহিত্য ভাষাৰ মাধ্যমতহে পোহৰলৈ আহে। পৃথিৱীৰ প্রত্যেক জাতিৰে ভাষা আছে আৰু সেই ভাষাৰ মাধ্যমেৰে সাহিত্য সৃষ্টি হয়। সাহিত্য বুৰঞ্জীৰ প্রণেতা আৰু সাহিত্য সমালোচক সত্যেন্দ্রনাথ শর্মাৰ ভাষাত "ভাষা বৃক্ষৰ সাহিত্য সৌৰভময় পুষ্পস্বৰূপ। ...অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ পম খেদি উৎপত্তি স্থল বিচাৰি গ'লে প্রথমতে আমি অসমীয়া ভাষাৰ জন্ম বৃত্তান্ত আৰু জন্ম লগ্ন জানি ল'ব লাগিব, কাৰণ আগেয়ে ভাষা, তাৰ পিছতহে সাহিত্যৰ সৃষ্টি।"

অসমীয়া ভাষাটো প্রাচীন ভাৰতীয় আর্য্যভাষাৰ পৰাই ক্রমবিৱর্তনৰ মাজেৰে আহি খ্রীষ্টিয় দশম-একাদশ শতিকামানত অসমীয়া ৰূপ ল'বলৈ আৰম্ভ কৰে। অসমীয়া ভাষা মূলতঃ আর্য ভাষাৰ পৰা উদ্ভৱ হ'লেও, অসমীয়া ভাষাৰ গঠনকালত বিভিন্ন থলুৱা (আর্য্যভিন্ন) ভাষাৰ প্রভাৱ পৰিছে। আর্যভিন্ন ভাষাৰপ্রভাৱে অসমীয়া ভাষাক সুকীয়া গঢ় দিয়াত সহায় কৰিছে। সেয়েহে চীনা পৰিব্রাজক হিউয়েন চাঙে প্রাচীন কামৰূপৰ ভাষা মধ্য ভাৰতৰ ভাষাতকৈ অলপ বেলেগ বুলি মন্তব্য কৰিছিল। হিউয়েন চাং ৬৪৩ খ্রীষ্টাব্দত কুমাৰ ভাস্কৰ বর্মাৰ ৰাজত্ব কালত কামৰূপলৈ আহিছিল। গতিকে সপ্তম শতিকাতেই ভাষাটোৱে এটা সুকীয়া নিজস্ব গঢ় লৈছিল। অসমীয়া সাহিত্যৰ প্রাচীন ৰূপ আলোচনাত সেয়েহে সপ্তম শতিকাৰ এই মন্তব্যৰ এক গুৰুত্বপূর্ণ ভূমিকা আছে।

প্রাচীন কামৰূপলৈ আর্য্যসকলৰ আগমনৰ লগে লগে তেওঁলোকৰ ভাষা আৰু সংস্কৃতিও লগতে লৈ আহিছিল। আর্য্য-ভাষাৰ লগত প্রাচীন কামৰূপৰ ভূমিপুত্রসকলৰ ভাষাৰ সমন্বয় হৈ সুকীয়া বৈশিষ্ট্যযুক্ত ভাষাৰ সৃষ্টি হয়। এই ভাষাকেই পণ্ডিত সমাজে 'কামৰূপ অপভ্রংশ' বুলিছে। খ্রীষ্টিয় পঞ্চম শতিকাৰ পৰা দ্বাদশ-ত্রয়োদশ শতিকালৈকে প্রাচীন কামৰূপত ৰাজত্ব কৰা হিন্দু ৰজাসকলৰ দ্বাৰা লিখিত তাম্রফলক, শিলালেখ আদিত অসমীয়া ভাষাৰ আদি ৰূপ ৰক্ষিত হোৱা দেখিবলৈ পোৱা যায়। এই সময়ছোৱাত প্রাপ্ত ভাষিক ৰূপটোৱে অসমীয়া ভাষাৰ প্রত্ন ৰূপৰ নিদর্শন দাঙি ধৰে। প্রাচীন অসমীয়া সাহিত্যৰ পূর্ণ ৰূপ এই স্তৰত পোৱা নগ'লেও সাহিত্যৰ বীজ ৰোপণৰ বাবে ভূমি নিৰীক্ষণ আৰু কর্ষণ এই স্তৰতেই হয়।



চিন্তা-চৰ্চা কৰক

ভাষা আৰু সাহিত্যৰ সম্পৰ্ক সম্বন্ধে আলোচনা কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমীয়া ভাষাটোৱে কেতিয়াৰ পৰা স্বকীয় ৰূপ ল'বলৈ আৰম্ভ কৰে? (১৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং ২ ঃ অসমীয়া ভাষাৰ আদি ৰূপ ক'ত পোৱা যায়? (১৫০টা শব্দৰ ভিতৰত লিখক)

১.৩.১ প্ৰাচীন অসমীয়া সাহিত্যৰ প্ৰত্নস্তৰ

খ্ৰীষ্টিয় দশম শতিকাৰ আগৰে পৰাই নব্য ভাৰতীয় আৰ্য্য ভাষাসমূহে নিজাকৈ দুই এটা বৈশিষ্ট্যৰে এটি বিশেষ গঢ় ল'বলৈ যত্ন কৰিছিল। কিন্তু চৰ্য্যাপদ, *শূন্য পুৰাণ* আৰু *শ্ৰীকৃষ্ণ কীৰ্ত্তনৰ* ভাষাৰ জৰিয়তে অসমীয়া লিখিত সাহিত্যই খ্ৰীষ্টিয় দ্বাদশ-চতুৰ্দশ শতিকাৰ পৰা এটি সণ্ঠালনী ৰূপ নাপালেও অসমীয়া ভাষা-সাহিত্যই ইয়াৰ আগতেই নিজস্ব এটি ৰূপ পৰিগ্ৰহ কৰিবলৈ যত্ন কৰিছিল সেই বিষয়ে কোনো সন্দেহ নাই। খ্ৰীষ্টিয় দ্বাদশ শতিকা বা তাৰ আগৰ সময়ছোৱাৰ অধ্যয়ন কৰিবলৈ হ'লে প্ৰাচীন হিন্দু ৰজাসকলৰ প্ৰদত্ত 'লেখ'সমূহ আধাৰ হিচাপে ল'ব লাগিব। এই স্তৰটোৰ সময় সীমা খ্ৰীষ্টিয় পঞ্চম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত। এই স্তৰটোক প্ৰাচীন অসমীয়া সাহিত্যৰ প্ৰত্নস্তৰ বোলা হয়। এই সময়ছোৱা অসমীয়া ভাষা, সাহিত্য, লিপি আদিৰ অধ্যয়নৰ আৰম্ভণিৰ বাবে প্ৰয়োজনী সময়। এই সময়ছোৱাত প্ৰকৃত সাহিত্যৰ উহঁ নাপালেও ইয়াৰ ঐতিহাসিক গুৰুত্ব অপৰিসীম।

১.৩.২ শিলালিপি, তাম্ৰ লিপি আদি

অসমীয়া সাহিত্যৰ প্ৰত্নস্তৰত উল্লেখ কৰিব লাগিব, কামৰূপত ৰাজত্ব কৰা হিন্দু ৰজাসকলৰ তামৰ ফলি, শিলালেখসমূহ। তলত সুবাসনা মহন্তৰ গ্ৰন্থ *উদ্ভৱকালীন অসমীয়া ভাষাৰ* পৰা এখন তালিকা আগবঢ়োৱা হ'ল—

সুৰেন্দ্ৰবৰ্মাৰ উমাচল শিলালেখ	খ্ৰীষ্টিয় ৫ম শতিকা
ভুতিবৰ্মাৰ ৰৰগঙ্গা শিলালেখ	খ্ৰীষ্টিয় ৬ষ্ঠ শতিকা
ভাস্কৰবৰ্মাৰ ডুবি তাম্ৰফলক	খ্ৰীষ্টিয় ৭ম শতিকা
ভাস্কৰবৰ্মাৰ নিধনপুৰ তামৰ ফলি	খ্ৰীষ্টিয় ৭ম শতিকা

দেওপানীৰ শঙ্কৰ-নাৰায়ণপুৰ মূর্তিৰ লেখ (১)	খ্ৰীষ্টিয় ৮ম শতিকা
দেওপানীৰ হৰিহৰ-মূর্তিৰ লেখ (২)	খ্ৰীষ্টিয় ৮ম শতিকা
হর্জৰবর্মাৰ তেজপুৰ শিলালেখ	খ্ৰীষ্টিয় ৯ম শতিকা
হর্জৰবর্মাৰ তেজপুৰ শিলালেখ	খ্ৰীষ্টিয় ৯ম শতিকাৰ মধ্যভাগ
বনমালৰ তেজপুৰ তামৰ ফলি	খ্ৰীষ্টিয় ৯ম শতিকাৰ মধ্যভাগ
বনমালৰ পর্বতীয়া তামৰ ফলি	খ্ৰীষ্টিয় ৯ম শতিকাৰ মধ্যভাগ
তৃতীয় বলবর্মাৰ উত্তৰ বৰবিল তামৰ ফলি	খ্ৰীষ্টিয় ৯ম শতিকাৰ শেষ চতুর্থাংশ
তৃতীয় বলবর্মাৰ নগাঁও তামৰ ফলি	খ্ৰীষ্টিয় ৯ম শতিকাৰ শেষ চতুর্থাংশ
তৃতীয় বলবর্মাৰ উলুবাৰী তামৰ ফলি	খ্ৰীষ্টিয় ৯ম শতিকাৰ শেষ চতুর্থাংশ
ৰত্নপালৰ বৰগাঁও তামৰ ফলি	খ্ৰীষ্টিয় ১১ শতিকাৰ প্রথমার্দ্ধ
ৰত্নপালৰ শুৱালকুছি তামৰ ফলি	খ্ৰীষ্টিয় ১১ শতিকাৰ প্রথমার্দ্ধ
ইন্দ্রপালৰ গুৱাহাটী তামৰ ফলি	খ্ৰীষ্টিয় ১১ শতিকাৰ দ্বিতীয়ার্দ্ধ
ইন্দ্রপালৰ গুৱাকুচি তামৰ ফলি	খ্ৰীষ্টিয় ১১ শতিকাৰ দ্বিতীয়ার্দ্ধ
গোপালবর্মাৰ গছতল তামৰ ফলি	খ্ৰীষ্টিয় ১১ শতিকাৰ শেষ চতুর্থাংশ
ধর্মপালৰ খনামুখ তামৰ ফলি	খ্ৰীষ্টিয় ১২ শতিকাৰ প্রথমার্দ্ধ
ধর্মপালৰ শুভঙ্কৰপাটক তামৰ ফলি	খ্ৰীষ্টিয় ১২ শতিকাৰ প্রথমার্দ্ধ
ধর্মপালৰ পুষ্পভদ্রা তামৰ ফলি	খ্ৰীষ্টিয় ১২ শতিকাৰ প্রথমার্দ্ধ
বৈদ্যদেৱৰ কমৌলি তামৰ ফলি	খ্ৰীষ্টিয় ১২ শতিকাৰ প্রথমার্দ্ধ
বল্লভদেৱৰ অসম ফলি	খ্ৰীষ্টিয় ১২ শতিকাৰ শেষার্দ্ধ
সমুদ্রপালৰ আমবাৰী শিলালেখ	খ্ৰীষ্টিয় ১৩ শতিকাৰ প্রথমার্দ্ধ।

১.৩.৩ শাসনাৱলী

প্রাচীন অসমীয়া সাহিত্যৰ ৰূপ বিশ্লেষণত 'শাসনাৱলী'ৰ ভূমিকা উল্লেখযোগ্য। এই অধ্যায়ত '*কামৰূপ শাসনাবলী*' আৰু '*প্রাচ্য শাসনাবলী*' এই দুখন গ্রন্থৰ পৰিচয়মূলক টোকা আগবঢ়োৱা হ'ব।

- পদ্মনাথ ভট্টাচার্য সংকলিত '*কামৰূপ শাসনাবলী*'ৰ ভূমিকাত 'কামৰূপ ৰাজাৱলী'— বুলি এটি বহল আলোচনা পোৱা যায়। এই আলোচনাত 'কামৰূপ' নামটো আগতে 'প্রাগজ্যোতিষ' বুলি উল্লেখ থকাৰ কথা বর্ণনা কৰি *মহাভাৰত*, *ৰামায়াণ*ৰ সময়টো যে 'প্রাগজ্যোতিষ' নামহে আছিল সেই বিষয়ে উল্লেখনীসহ আগবঢ়াইছে। ইতিহাসৰ পৰা নানা প্রমাণসহ উদ্ধৃতি দি ভাস্কৰবর্মাৰ পূর্বপুৰুষৰ এখন তালিকা সংলগ্ন কৰা পোৱা যায়। চতুর্থ শতিকাৰ মধ্যভাগৰ পৰা সপ্তম শতিকাৰ পূর্বার্দ্ধলৈকে (পুষ্যবর্মাৰ পৰা ভাস্কৰ বর্মালৈকে) ৰজাসকলৰ বংশাৱলী ইয়াত সন্নিৱিষ্ট হোৱা দেখা যায়। প্রত্যক্ষভাৱে এই ৰাজ বংশাৱলীৰ সাহিত্যিক প্রমূল্য নাই নাই যদিও ঐতিহাসিক

গুৰুত্ব যথেষ্ট আছে, কিয়নো এইসমূহেই হৈছে উত্তৰ কালৰ সাহিত্য-সংস্কৃতিৰ ভেটি স্বৰূপ। শাসনাৱলীত সন্নিৱিষ্ট হৰ্জ্জৰ বৰ্মা, বনমাল বৰ্মা আৰু বলবৰ্মাৰ শাসনাৱালীৰ আলোচনা প্ৰসঙ্গত এই ৰজাসকলৰ বংশাৱলীৰ বিৱৰণেও উত্তৰ সময়ৰ সাহিত্য-সংস্কৃতিৰ ভেটি গঢ় দিয়াত সহায় কৰে।

*'কামৰূপ শাসনাবলী'*ত ভাস্কৰবৰ্মাৰ তাম্ৰশাসন, হৰ্জৰবৰ্মাৰ তাম্ৰশাসন, বনমালবৰ্মাৰ তাম্ৰশাসন, ৰত্নপালৰ প্ৰথম তাম্ৰশাসন, দ্বিতীয় তাম্ৰশাসন, ইন্দ্ৰপালৰ প্ৰথম তাম্ৰশাসন, ইন্দ্ৰপালৰ দ্বিতীয় তাম্ৰশাসন, ধৰ্মপালৰ প্ৰথম তাম্ৰশাসন, ধৰ্মপালৰ দ্বিতীয় তাম্ৰশাসন— এই আটাইকেইখন তাম্ৰশাসনৰ আলোচনা, পাঠ, অনুবাদ আৰু অতিৰিক্ত আলোচনা সন্নিৱিষ্ট হৈছে।

এই শাসনাৱলীৰ প্ৰত্যেকৰে লিপি হিচাপে নামকৰণ কৰা হৈছে। ক্ৰমে— নিধনপুৰ লিপি, হাইয়ুংথল লিপি, তেজপুৰ তাম্ৰশাসনৰ লিপি, নৌগাঁলিপি, বড়গাঁও লিপি, সোয়ালকুচি লিপি, গৌহাটি লিপি, গুয়াকুচিলিপি, শুভঙ্কৰ পাটক লিপি আৰু পুষ্পভদ্ৰা লিপি।

সাহিত্যৰ বহল ভাগত যদি লিপিসমূহৰ আলোচনাক সন্নিৱিষ্ট কৰা যায়, তেতিয়া হ'লে অসমীয়া লিপিৰ ক্ৰমবিৱৰ্তন আলোচনাত এইসমূহৰ গুৰুত্ব অপৰিসীম ৰূপত দেখা যায়।

শাসনাৱলীৰ ভাষা সংস্কৃত আছিল; কিন্তু পদ্মনাথ ভট্টাচাৰ্যই ইয়াক ভুল বুলি কৈ শুদ্ধ পাঠ সংযোজন কৰিছে; কিন্তু এই আলোচনাত ভুল বুলি ভবা শব্দসমূহক কথিত ভাষাৰ পৰা অহা ৰূপ বুলিও ক'ব পৰা যায়। উদাহৰণ স্বৰূপে—

ক) অক্ষৰ, শব্দ বা বাক্যাংশত অনুস্বাৰ আৰু বিসৰ্গ কেতিয়াবা লোপ হোৱা পোৱা যায়।

খ) শব্দৰ শেষত 'ম্'ৰ ঠাইত 'ং'ৰ প্ৰয়োগ হয়। (প্ৰাকৃত স্তৰতেই এই পৰিৱৰ্তন দেখা গৈছিল; গতিকে ইয়াক ভুল বোলাতকৈ সৰলীকৃত ৰূপ বোলাহে উচিত)

গ) ধ্বনিৰ বিকল্প প্ৰয়োগ ইত্যাদি।

অসমীয়া সাহিত্যৰ আলোচনা প্ৰসঙ্গত ভাষাৰ এই দিশসমূহো উল্লেখনীয় বিষয়।

➢ *'প্ৰাচ্য-শাসনাবলী'ৰ* ভূমিকাত স্পষ্টৰূপে উল্লেখ কৰা আছে যে পদ্মনাথ ভট্টাচাৰ্য বিদ্যাবিনোদৰ 'কামৰূপ-শাসনাবলী'ৰ আৰ্হিৰে পুষ্যবৰ্মা, শালস্তম্ভ আৰু ধৰ্মপাল বংশৰ ৰজাসকলৰ ৰাজত্বৰ অৱসানৰ পিছৰ যুগৰ তাম্ৰশাসন, প্ৰস্তৰ শাসন আৰু আন আন লেখসমূহ একত্ৰ কৰি প্ৰকাশ কৰাৰ মানসেৰেই *'প্ৰাচ্য-শাসনাবলী'ৰ* সৃষ্টি। এই শাসনাৱলীত ভাৰতবৰ্ষৰ পূৰ্ব প্ৰান্তত চলিত ৰাজ্য শাসন আৰু ৰাজনীতি, ন্যায়বিচাৰ, ৰাজস্ব শাসন, কৰাৰোপণ ব্যৱস্থা, শাসকসকলৰ ধৰ্ম সংক্ৰান্ত নীতি আৰু শাসন আদি সন্নিৱিষ্ট হোৱা পোৱা যায়। ইয়াত সন্নিৱিষ্ট বহুকেইখন ফলিত



পৰিখা ঃ চাৰিওফালে বেষ্টিত খাল, গড় খাৰৈ।

গড় খাৰৈ, দুর্গ, ***পৰিখা***, মন্দিৰ আদি নির্মাণৰ ইতিহাস, যুদ্ধৰ ইতিহাস, মানুহ বেচা-কিনাৰ প্রমাণ, দ'ল-দেৱালয়-মন্দিৰ-সত্র আদিত অখণ্ড প্রদীপৰ বাবে প্রয়োগ হোৱা যাৱতীয় মানুহ, তেল, দ্বীপ ইত্যাদিৰ বর্ণনা পোৱা যায়। *প্রাচ্য-শাসনাৱলীত* 'কানাই-বৰশী হোৱা শিলৰ তুৰস্ক ক্ষয়ৰ ফলি (শক ১১২৭)ৰ পৰা মৰঙিৰ দেৱীঘৰৰ তামৰ ফলি, ১৭০৫ শকলৈকে প্রায় এশ যাঠিখনমান ফলিৰ পাঠ পোৱা যায়। বিভিন্ন বিষয়, বিভিন্ন শৈলী আৰু বিভিন্ন ধাতু বা শিলত খোদিত হ'লেও ইয়াৰ ঐতিহাসিক মূল্যৰ উপৰি সাহিত্যিক মূল্য বিশেষকৈ *'অসমীয়া লিপি'ৰ* আলোচনাত এক বিশেষ ভূমিকা আছে।

নির্দিষ্ট কৰা পাঠৰ বিষয় প্রাচীন 'অসমীয়া সাহিত্যৰ ৰূপ' হোৱা হেতুকে এই আলোচনাত দ্বাদশ শতিকালৈকে বা তাৰ আগৰ ফলিবিলাকহে গ্রহণ কৰিব পৰা যাব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ *'কামৰূপ শাসনাবলী'* কি ?



জানি থোৱা ভাল

'শাসন' শব্দই ৰাজা শাসন অর্থাৎ ৰজাই দিয়া ফলি বা তাম্রশাসন অর্থাৎ ৰজাই দিয়া তামৰ ফলি বুজায়।

১.৪ প্রাচীন অসমীয়া সাহিত্যৰ বিষয়বস্তু, উপস্থাপন ৰীতি, বর্ণনা ৰীতি, শব্দ-প্রয়োগ ইত্যাদি

প্রাচীন অসমীয়া সাহিত্যৰ নিদর্শন ৰূপে গ্রহণ কৰা লেখাৱলী উপস্থাপন ৰীতি আলোচনাৰ প্রথমেই উল্লেখ কৰিব লাগিব— এইসমূহ লিখনৰ মূল 'ভূমি'ৰ বিষয়। পোক-পৰুৱাৰ আক্রমণ, অগ্নিৰ পৰা ৰক্ষা কৰি ৰাখিবলৈ, দীর্ঘদিনৰ বা স্থায়িত্বৰ প্রতি দৃষ্টি ৰাখি প্রাচীন অসমৰ হিন্দু ৰজাসকলৰ ফলিসমূহ লিখা ভূমি হৈছে— শিলৰ পটভূমি, তামৰ পাত; মূর্তিৰ গাত (যেনে— দেওপানীৰ লেখ, ৮ম শতিকা) ইত্যাদি। মৌর্য্য যুগৰ তাম্রশাসনৰ আৱিস্কাৰৰ পৰা খ্রীঃপূঃ চতুর্থ-তৃতীয় শতিকাত তাম্রফলক লিখন আহিলা ৰূপে ব্যৱহাৰ কৰাৰ কথা অনুমান কৰিব পাৰি। ফাহিয়ানে (খ্রীঃ চতুর্থ শতিকাত) পৰিব্রাজকৰ টোকাত তাম্রপত্রৰ ব্যৱহাৰ পোৱা যায়। ধাতুসমূহৰ স্থায়িত্বৰ বাবেই শত বছৰৰ পিছতো বর্তমান অসমীয়া সাহিত্যৰ প্রাচীন ৰূপ বিচাৰোতে এই শাসনসমূহক বিষয় হিচাপে গ্রহণ কৰিব পৰা হৈছে। এই শাসনাৱলী প্রস্তুত কৰাৰ আঁৰত বিভিন্ন দিশ জড়িত হৈ থাকে।

ভূমি, লেখনী, মহী, লিপিকাৰ আৰু শাসনিক ইত্যাদি। সাহিত্যৰে এটা ভাগ হিচাপে 'পাঠ-সমীক্ষা' বিষয়টো আলোচনাৰ বিষয়। 'পাঠ-সমীক্ষা'ৰ বিষয় হিচাপে প্ৰাচীন অসমীয়া ভাষাৰ নিদৰ্শনযুক্ত এই তামৰ ফলিবোৰৰ গুৰুত্ব আছে।

সাহিত্য সম্পৰ্কে আলোচনাত নান্দনিক দিশৰ গুৰুত্ব মন কৰিবলগীয়া। বিষয়বস্তু আৰু লেখাৰ ধৰণেৰে সৰ্বসাধাৰণ মানুহক আকৰ্ষণ কৰিব পৰাটো সাহিত্যৰ বৈশিষ্ট্য। বিষয়বস্তু মনোগ্ৰাহীকৈ প্ৰকাশ কৰাটো সাহিত্যৰ এটি বৈশিষ্ট্য। মনোগ্ৰাহীকৈ প্ৰকাশ কৰাৰ ক্ষেত্ৰত উপস্থাপন ৰীতি আৰু লেখকৰ শৈলীৰ এক প্ৰয়োজনীয় দিশ আছে। সাহিত্যৰ মাজেদি সমাজখনেই প্ৰতিফলিত হয়। অৱশ্যে মানৱ সমাজৰ বিষয়সমূহ লেখকৰ ভাব, কল্পনা, অনুভূতি আৰু ভঙ্গীৰ সুন্দৰ প্ৰকাশ ঘটে সাহিত্যৰ মাজেৰে। অসমীয়া সাহিত্যৰ ক্ষেত্ৰত এই বৈশিষ্ট্যসমূহ কিন্তু চতুৰ্থ শতিকাৰ পৰা দ্বাদশ শতিকাৰ মাজত প্ৰাপ্ত তামৰ ফলি (প্ৰাচীন কামৰূপৰ) বা শিলালেখৰ মাজত পোৱা নাযায়। বিষয় উপস্থাপন পদ্য আৰু গদ্যশৈলীৰে হোৱা দেখা যায়। ভাষা সংস্কৃত হ'লেও উপস্থাপনত দুয়োবিধ শৈলী পোৱা যায়। যেনে—

১) ৫ম শতিকাৰ উমাচল শিলালিপিৰ শৈলী গদ্যত গ্ৰন্থিত—

"মহাৰাজাধিৰাজ শ্ৰী
সুৰেন্দ্ৰৱৰ্ম্মণা কৃতম্
ভগৱতঃ ৱলভদ্ৰ
স্বামিনায় ইদং গুহং।"

২) ৭ম শতিকাৰ ভাস্কৰবৰ্মাৰ নিধনপুৰ তামৰ ফলি পদ্যত গ্ৰন্থিত—

'ভোগৱতী ভোগৱতী ভূতেঃ স্থিতিৰৰ্ম্মণস্ততো হেতুঃ
আসীদ্‌ভোগিপতেৰিৱ ভূমিভূতোনন্তভোগস্য।।

—ইত্যাদি

সাহিত্যৰ মাজত সংৰক্ষিত হৈ থাকে অতীত, কিয়নো অতীতৰ জ্ঞান, ধাৰণা আদিৰ সহায়ত বৰ্তমান গঢ় লৈ উঠে। প্ৰাচীন কামৰূপৰ লেখাৱলীৰ সমাজত সংৰক্ষিত হৈ থকা বিষয়বস্তু বৰ্তমান সাহিত্যৰ বুৰঞ্জীৰ উল্লেখযোগ্য বৈশিষ্ট্য। সেয়েহে বৰ্তমান আলোচনাত লেখাৱলীত সন্নিৱিষ্ট বিষয়বস্তুৰ বিষয়েও উল্লেখ কৰাটো প্ৰয়োজন। বিষয়বস্তুসমূহ মূলতঃ ৰাজ শাসনৰ লগত জড়িত। ৰাজ শাসনৰ লগত জড়িত হ'লেও ৰচনা ৰীতিত মসৃনতা দেখা যায়। সন্ধিৰ প্ৰয়োগ যথেষ্ট পোৱা যায় অৰ্থাৎ শাসনাৱলীৰ ভাষাত শ্লেষৰ প্ৰয়োগ পোৱা যায়। এই ধৰণৰ প্ৰয়োগে ৰাজকীয় শাসনৰ লগত জড়িত বিষয়কো শোভাবৰ্দ্ধন কৰি আলঙ্কাৰিক কৰি তুলিছে। পূৰ্বে উল্লিখিত ৭ম শতিকাৰ নিধনপুৰ তামৰ ফলিত 'ভ' আৰু 'ত' বৰ্ণ পুনঃ পুনঃ ধ্বনিত হৈ অনুপ্ৰাস অলঙ্কাৰ হৈছে। অলঙ্কাৰৰ দৰে ছন্দৰ ক্ষেত্ৰটো শাৰ্দুল বিক্ৰীড়িত, অনুষ্টুভ, আৰ্য্যা আদি ছন্দৰ প্ৰয়োগ দেখা যায়। ছন্দৰ বুৰঞ্জী আলোচনা প্ৰসঙ্গত বৈদিক সংস্কৃত ছন্দ, মহাভাৰতৰ ছন্দ আৰু তাৰ পৰৱৰ্তী কালৰ ছন্দৰ মাজেৰে আধুনিক ভাৰতীয় ভাষাৰ জন্ম দোমোজাত ৰচিত বৌদ্ধগান আৰু দোহা বা চৰ্য্যাপদবোৰত প্ৰাপ্ত মাত্ৰাবৃত্ত ছন্দৰ আলোচনাৰ উল্লেখ পোৱা যায়। অনুষ্টুভ ছন্দৰ বৈশিষ্ট্য হ'ল— ইয়াত চাৰিটা পদ

বা চৰণ থাকে। প্রতি চৰণত আঠোটাকৈ অক্ষৰ আৰু চতুর্থ অক্ষৰৰ পাছত যতি পৰে। লঘু-গুৰু স্বৰৰ সুবিন্যস্ত ধ্বনি স্পন্দনৰ ওপৰত নির্ভৰশীল। ধ্বনিস্পন্দন তিনি প্রকাৰৰ- সমবৃত্ত, অর্দ্ধসমবৃত্ত, বিষমবৃত্ত। অনুষ্টুভ ছন্দ সমবৃত্তৰ অন্তর্ভুক্ত। 'চউ-পঙ্গ' বা 'চতুস্পদী' ছন্দ বৈদিক অনুষ্টুভ ছন্দৰ পৰা উদ্ভাৱনা মাথোন। চর্য্যাপদ চতুস্পদী ছন্দতে লিখা হৈছে। প্রাচীন অসমীয়া ছন্দ সম্পর্কীয় আলোচনাত প্রত্যক্ষভাৱে নহ'লেও ছন্দৰ ধাৰাবাহিকতা জনাটো প্রয়োজনীয়।

অসমীয়া ভাষাৰ ক্ষেত্রত প্রাচীনত্বৰ আঁত বিচাৰি পঞ্চম শতিকাৰ পৰা দ্বাদশ শতিকালৈ বিস্তাৰিত হৈ থকা তামৰ ফলিৰ সংস্কৃত ভাষাৰ মাজত সোমাই থকা কথিত ৰূপ যথেষ্ট পোৱা যায়। এই সম্পর্কে ইতিমধ্যে যথেষ্ট গৱেষণামূলক আলোচনাও হৈছে। এই ভাষাতাত্বিক বৈশিষ্ট্যসমূহ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু শব্দৰ ক্ষেত্রত দেখা যায়। ধ্বনিতত্ত্বৰ ক্ষেত্রত, হ্রস্বস্বৰৰ দীর্ঘীকৰণ, দীর্ঘস্বৰৰ হ্রস্বীকৰণ, ঋ কাৰ অ, ই, উ, ৰি হিচাপে প্রয়োগ, সম্প্রসাৰণ, লোপা, আগম, বিকল্প ধ্বনিৰ প্রয়োগ ইত্যাদি পোৱা যায়।

১) '/' যুক্ত ধ্বনি '/' লোপ হৈ দ্বিত হোৱা পোৱা যায়। যেনে—

সুবর্ণ > সুবন্ন; বীর্য > বীয্য ইত্যাদি।

২) স্বৰৰ হ্রস্বত্ব দেখা যায়। যেনে—

ব্রামঃ> ব্রুম

ধৌতেশ্বৰ > ধোতেশ্বৰ

৩) স্বৰৰ দীর্ঘত্ব দেখা যায়।

ধৃতিস্বামী > ধৃতীস্বামী

প্রত্যয়ার্পিতম > প্রত্যয়ার্পীতম।

ভুৱন > ভূৱন

৪) সন্ধি বর্জন বা সন্ধিৰ অনিত্যতা এই সময়ৰ ভাষাৰ বৈশিষ্ট্য হিচাপে দেখা যায়।

৫) আদ্যস্বৰ লোপ— উডুম্বৰ > ডুম্বৰী।

৬) হ ~ ঘ; ভ ~ হৰ বিকল্প প্রয়োগ।

সিংহাসন; সুহাংকৰ ইত্যাদি।

এইসমূহ ধ্বনিগত বৈশিষ্ট্য ভাষাৰ সৰলীকৰণ প্রক্রিয়াৰ অন্তর্গত। সাধাৰণতে বর্তমান কথিত অসমীয়াতো এনে প্রক্রিয়া পৰিলক্ষিত হয়। ৰূপতত্ত্বৰ ক্ষেত্রত সাদৃশ্যজাত পৰিৱর্তন, সমকাৰত্ব, অনিয়মিতি ভ্রষ্ট ৰূপ, নির্বিভক্তিক প্রয়োগ, স্বার্থিক প্রত্যয় আদিৰ প্রয়োগ দেখা যায়। লেখাৱলীৰ মাজত ব্যক্তিৰ নামবাচক শব্দ, স্ত্রীৰ নাম, ঠাইৰ নামবাচক শব্দ, পুখুৰী-বিল-নৈৰ নামবাচক শব্দ, গছ-গছনিৰ নামবাচক শব্দ আদি শব্দসমূহ কেতবোৰ বর্তমানৰ অসমীয়া ভাষাৰ ৰূপৰ লগত একে আৰু কেতবোৰ কিছু বেলেগ, যিবিলাকক বর্তমান পোৱা শব্দৰ প্রত্নস্তৰৰ ৰূপ বুলি ধৰিব পাৰি। এই ৰাজকীয় শাসনসমূহ সাধাৰণতে সিদ্ধিবাচক 'আঞ্জি' চিহ্নেৰে (ৎ) আৰম্ভ হৈছিল। বনমালদেৱৰ তেজপুৰ তাম্রশাসন, পর্বতীয়া তাম্র শানস 'ৎ' চিহ্নেৰে আৰম্ভ হৈছে। আহোম যুগৰ প্রায়বোৰ শাসন 'স্বস্তি' পদেৰে আৰম্ভ হৈছে। ভাস্কৰবর্মাৰ নিধনপুৰ তাম্রশাসন 'ওঁ'

শব্দেৰে হৈছে। ডুবিৰ তাম্ৰশাসনত কিন্তু কোনো মাঙ্গলিক শব্দ নাই। শাসনসমূহৰ এই আৰম্ভণিৰ ৰেখাচিত্ৰও মন কৰিবলগীয়া বিষয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ কিহৰ ভিত্তিত শাসনসমূহ নামকৰণ কৰা হয়?
(১৫০টা শব্দৰ ভিতৰত লিখক)



১.৫ অধ্যায়টিৰ পৰা আমি শিকিলোঁ

- প্ৰাচীন কামৰূপৰ লেখাৱলীসমূহ (পঞ্চম শতিকাৰপৰা দ্বাদশ শতিকা)ৰ এটি চমু তালিকা জানিব পৰা গ'ল।
- প্ৰত্ন-অসমীয়া সাহিত্যৰ স্তৰৰ প্ৰাচীন কামৰূপৰ হিন্দু ৰজাসকলৰ তাম্ৰফলকসমূহৰ মাজত অসমীয়া সাহিত্যৰ বীজ ৰোপিত হৈছিল।
- প্ৰত্ন অসমীয়া সাহিত্যৰ স্তৰত প্ৰাপ্ত শাসনাৱলীত কথিত ভাষাৰ ৰূপ ৰক্ষিত হৈছে আৰু এই ৰূপসমূহেই প্ৰত্ন অসমীয়া ভাষাৰ আদি স্তৰৰ চিত্ৰ জানিবলৈ দিয়ে।



স্তৰৰ সাহিত্যৰ মাজত কেৱল ৰাজপৰিয়ালৰ বৰ্ণনাই নাই, সমাজৰ বিভিন্ন দিশ ত সংৰক্ষিত হৈ আছে।



১.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) মহন্ত, সুবাসনা (২০০৩); *উত্তৰকালীন অসমীয়া ভাষা*, ডিব্ৰুগড় ঃ বনলতা।

২) হাজৰিকা, পৰীক্ষিত (২০১১); *চৰ্য্যাপদ*, ফটাশিল-আমবাৰী, গুৱাহাটী ঃ ডালিমী প্ৰকাশন।

বাংলা গ্ৰন্থ ঃ

১) ভট্টাচাৰ্য, পদ্মনাথ (সঙ্কলিত) (সম ১৩৩৮ সাল); *কামৰূপ শাসনাবলী*, ৰঙ্গপুৰ সাহিত্য পৰিষৎ হইতে সম্পাদক ৰায়চৌধুৰী সুৰেন্দ্ৰ চন্দ্ৰ কৰ্ত্তৃক প্ৰকাশিত।

ইংৰাজী গ্ৰন্থ ঃ

1) Neog, Maheswar (Compiled & Edited) (1974); *Prāchya-Śāsanavali*; Publication Board, Assam.

2) Sarma, Mukunda Madhava (1978); *Inscriptions of Ancient Assam*; Dept. of Publication, Gauhati University, Assam, India.

১.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাটোৱে প্রাচীন ভাৰতীয় আর্য্যভাষাৰ পৰা ক্রমবিৱর্তনৰ মাজেৰে আহি খ্রীষ্টিয় দশম-একাদশ শতিকা মানত অসমীয়া ভাষাই স্বকীয় ৰূপ ল'বলৈ আৰম্ভ কৰে।

২নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাৰ আদি ৰূপ ৰক্ষিত হৈ আছে খ্রীষ্টিয় পঞ্চম শতিকাৰ পৰা দ্বাদশ-ত্রয়োদশ শতিকালৈকে প্রাচীন কামৰূপত ৰাজত্ব কৰা হিন্দু ৰজাসকলৰ দ্বাৰা প্রচাৰিত তাম্রফলক, শিলালেখসমূহৰ মাজত।

৩নং প্রশ্নৰ উত্তৰ ঃ 'কামৰূপ শাসনাবলী'ৰ ভূমিকাত পদ্মনাথ ভট্টাচার্যই চতুর্থ শতিকাৰ মধ্যভাগৰ পৰা সপ্তম শতিকাৰ পূর্বার্দ্ধলৈকে (পুষ্যবর্মাৰ পৰা ভাস্কৰ বর্মালৈকে) ৰজাসকলৰ বংশাৱলীক তালিকাবদ্ধ কৰিছে; ইয়াৰ নামেই হৈছে 'কামৰূপ ৰাজাৱলী'।

৪নং প্রশ্নৰ উত্তৰ ঃ শাসনসমূহক বিভিন্ন লিপিৰ নামেৰে লিখা হয় নামকৰণৰ ভিত্তি হৈছে—

ক) আখৰৰ গঢ় বৈশিষ্ট্য অনুযায়ী।

খ) প্রাপ্তিস্থানৰ নাম অনুযায়ী।

গ) লিপিকাৰৰ নাম অনুযায়ী।



১.৮ আহি প্রশ্ন

প্রশ্ন ১ ঃ অসমীয়া ভাষাৰ প্রাচীন ৰূপৰ আৰম্ভণিৰ চিত্রখন ক'ত পোৱা যায়?

প্রশ্ন ২ ঃ 'লেখাৱলী' শব্দটোৰ অর্থ লিখক।

প্রশ্ন ৩ ঃ মধ্যভাৰতীয় ভাষাতকৈ অসমীয়া ভাষা কিছু ভিন্ন হোৱাৰ মূল কাৰণ কি?

প্রশ্ন ৪ ঃ প্রাচীন অসমীয়া সাহিত্যৰ প্রত্নস্তৰ বুলিলে কি বুজে?

প্রশ্ন ৫ ঃ প্রাচীন অসমীয়া সাহিত্যৰ প্রত্নস্তৰৰ মাজেৰে প্রতিফলিত হোৱা ধ্বনিতাত্ত্বিক বৈশিষ্ট্য কেইটিমান উল্লেখ কৰক।

প্রশ্ন ৬ ঃ 'প্রাচ্য শাসনাবলী'ত সন্নিৱিষ্ট বিষয়বস্তু সম্পর্কে এটি আলোচনা কৰক।

প্রশ্ন ৭ ঃ 'কামৰূপ শাসনাবলী' আৰু 'প্রাচ্য শাসনাবলী' সম্পর্কে পৰিচয়মূলক টোকা লিখক।

প্রশ্ন ৮ ঃ অসমীয়া লিপিৰ আলোচনাত 'শাসনাৱলী'ৰ ভূমিকা সম্পর্কে এটি টোকা যুগুত কৰক।

প্রশ্ন ৯ ঃ প্রাচীন অসমীয়া সাহিত্যৰ প্রত্নস্তৰৰ বিষয়বস্তু, উপস্থাপন ৰীতি, বর্ণনাৰীতি সম্পর্কে আলোচনা আগবঢ়াওক।

প্রশ্ন ১০ ঃ প্রাচীন কামৰূপৰ হিন্দু ৰজাসকলৰ লেখসমূহৰ মাজত প্রতিফলিত হোৱা অসমীয়া ভাষাৰ আদি স্তৰটোৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

*** ***** ***